# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-12-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰতিৰক্ষা, গৱেষণা আৰু উন্নয়ন সংস্থা DRDO ই পৰৱৰ্তী প্ৰজন্মৰ আকাশ ক্ষেপনাস্ত্ৰ ব্যৱস্থাৰ ব্যৱহাৰকাৰী মূল্যায়ন পৰীক্ষা সফলতাৰে সম্পন্ন কৰিছে।

২। শীতকালত ঘন কুঁৱলীৰ ফলত ৰে'লযাত্ৰাত হোৱা বিলম্ব দূৰীকৰণৰ বাবে ভাৰতীয় ৰে'লৰে বিশেষ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছে।

৩। ভাৰত পুনৰ আন্তঃৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহণ সংস্থা আই চি এ অ'লৈ নিৰ্বাচিত হৈছে বুলি কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ দপ্তৰৰ মন্ত্ৰী ৰামমোহন নাইডুৱে প্ৰকাশ কৰিছে।

*আৰু*

৪। ভাৰতৰ মহিলা ক্ৰিকেট দলে পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাৰ দ্বিতীয়খন খেলত শ্ৰীলংকাক ৭ উইকেটত পৰাজিত কৰিছে।

ooooo

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা- ডি আৰ ডি অ'ই পৰৱৰ্তী প্ৰজন্মৰ আকাশ ক্ষেপণাস্ত্ৰ ব্যৱস্থা বা আকাশ NGৰ ব্যৱহাৰকাৰী মূল্যায়ন সম্পৰীক্ষা সফলতাৰে সম্পূৰ্ণ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিত জনাইছে যে, পৰীক্ষাৰ সময়ত এই ক্ষেপণাস্ত্ৰসমূহে সীমাৰ সমীপৰ-কম উচ্চতাৰ আৰু দীৰ্ঘ দূৰত্বৰ, উচ্চ উচ্চতাকে ধৰি বিভিন্ন ৰেঞ্জ আৰু উচ্চতাৰ লক্ষ্যক আঘাত কৰাত সফল হয়। আকাশ-মাৰ্গৰ বিভিন্ন ধৰণৰ ভাবুকিৰ বিৰুদ্ধে বায়ু প্ৰতিৰক্ষা নিশ্চিত কৰাৰ বাবে আকাশ-NG এটা শক্তিশালী ব্যৱস্থা। ইয়াত থলুৱা ৰেডিঅ' তৰংগ-ভিত্তিক লক্ষ্য অনুসন্ধান প্ৰণালী সংযুক্ত থকাৰ লগতে ই ৰকেট মটৰৰদ্বাৰা পৰিচালিত।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আকাশ-NGৰ ব্যৱহাৰকাৰী মূল্যায়ন সম্পৰীক্ষা সফলতাৰে সম্পূৰ্ণ কৰাৰ বাবে ডি আৰ ডি অ', ভাৰতীয় বায়ুসেনা আৰু উদ্যোগক প্ৰশংসা কৰি এই অত্যাধুনিক ক্ষেপণাস্ত্ৰ ব্যৱস্থাই ভৰতীয় বায়ু সেনাৰ প্ৰতিৰক্ষা ক্ষমতা অধিক শক্তিশালী কৰিব বুলি মন্তব্য কৰিছে।

ooooo

শীতকালত ঘন কুঁৱলীৰ ফলত হোৱা বিলম্ব হ্ৰাস কৰাৰ লগতে যাত্ৰীৰ সুবিধা সুনিশ্চিত কৰাৰ বাবে উত্তৰ ৰেলৱেৰ জম্মু সংমণ্ডলে নিৰ্বাচিত ৰে'লৰ বাবে "স্কেচ ৰেক" বা অতিৰিক্ত ৰেকৰ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছে। বিশেষকৈ উত্তৰ ভাৰতত শীতকালত প্ৰায়ে তীব্ৰ কুঁৱলীৰ ফলত প্ৰভাৱিত হোৱা ৰে'লসমূহৰ সময়মতে যাত্ৰা আৰু আগমন সুনিশ্চিত কৰাটোৱেই এই পদক্ষেপৰ লক্ষ্য। এই ব্যৱস্থাৰ অধীনত কুঁৱলী বা অন্যান্য বাধাৰ বাবে মূল ৰে'ল ৰেক যথেষ্ট পলম হ'লে প্ৰস্তুত ৰখা আন এটা তাৎক্ষণিকভাৱে সেৱাত ব্যৱহাৰ কৰা হয়।

ৰে'ল বিভাগৰ বিষয়াসকলে প্ৰকাশ কৰা মতে, জম্মু তাৱী-আজমেৰ এক্সপ্ৰেছ আৰু শ্ৰীমাতা বৈষ্ণো দেৱী কাত্ৰা-নতুন দিল্লী-কাত্ৰা এক্সপ্ৰেছৰ বাবে এই সুবিধা কাৰ্যকৰী কৰা হৈছে। এই ৰে'লসমূহৰ মূল ৰেক সাত ঘণ্টা বা তাতকৈ অধিক পলম হ'লে বা বিলম্ব অনিৰ্দিষ্টকালীন হ'লে স্কেচ ৰেক ব্যৱহাৰ কৰা হ'ব, যাৰ ফলত নিৰ্ধাৰিত ৰে'ল সেৱা সময়মতে চলিব পাৰিব।

ooooo

ভাৰত পুনৰ আন্তঃৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহণ সংস্থা আই চি এ অ'লৈ নিৰ্বাচিত হৈছে বুলি কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ দপ্তৰৰ মন্ত্ৰী ৰাম মোহন নাইডুৱে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতীয় অসামৰিক বিমান পৰিবহণ খণ্ডই বিশ্ব পৰ্য্যায়ত অভূতপূৰ্ব স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে। শ্ৰীনাইডুৱে কয়, যে তেওঁ আই চি এ অ'ৰ নো-কাউণ্ট্ৰি লেফ্ট বিহাইণ্ড উদ্যমৰ ক্ষেত্ৰত ভাৰতৰ সমৰ্থনৰ সমীক্ষা কৰিছে। ভাৰতে উন্নয়নশীল দেশলৈ সহায় আগবঢ়োৱা গুৰুত্বপূৰ্ণ সহযোগী হিচাপে পৰিগণিত হোৱা বুলি তেওঁ মন্তব্য কৰে।

ooooo

দিল্লী বিধানসভাৰ শীতকালীন অধিৱেশন অহা ৫ জানুৱাৰীত আৰম্ভ হ'ব। চাৰিদিনীয়া এই অধিৱেশনৰ ৮ জানুৱাৰীত সামৰণি পৰিব। দিল্লী কেবিনেটৰ বৈঠকৰ কালি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ooooo

দেশৰ যুৱ প্ৰতিভাক এখন মঞ্চ দিয়াৰ লগতে ক্ৰীড়া ক্ষেত্ৰক শক্তিশালী কৰাৰ উদ্দেশ্যৰে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ইণ্টাৰ্নশ্বিপ নীতি আৰম্ভ কৰিছে। মন্ত্ৰালয়ে কয়, যে এই পদক্ষেপে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলক ইণ্টাৰ্নশ্বিপৰ সুযোগ প্ৰদান কৰিব। ইয়াৰ দ্বাৰা তেওঁলোকে ক্ৰীড়াৰ বিভিন্ন দিশৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত হ'ব। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডঃ মনসুখ মান্দাভিয়াই কয়, যে এই পদক্ষেপে যুৱ প্ৰতিভাক ক্ৰীড়াৰ ক্ষেত্ৰখনত আগবাঢ়ি যাবলৈ বিশেষভাৱে সহায় কৰিব। এই নীতিৰ অধীনত যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ বিভিন্ন সংস্থাসমূহত প্ৰতি বছৰে ৪৫২টা ইণ্টাৰ্নশ্বিপ প্ৰদান কৰা হ'ব।

ooooo

দিল্লীৰ উপ ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনাই ৰাজধানী চহৰখনৰ প্ৰদূষণ সন্দৰ্ভত প্ৰাক্তন মুখ্যমন্ত্ৰী অৰিবিন্দ কেজিৰিৱাললৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। ১৫ পৃষ্ঠাৰ এই পত্ৰখনত শ্ৰীছাক্সেনাই আম আদমী দলে বিগত ১১ বছৰত কৰা গাফিলতি আৰু বায়ু প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰাত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰে।

তেওঁ কয়, যে দিল্লীৰ বায়ু প্ৰদূষণৰ এটা প্ৰধান কাৰক ধূলি নিয়ন্ত্ৰণত কেজৰিৱাল চৰকাৰে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাছিল। ইয়াৰ বিপৰীতে আম আদমী দলে এই অভিযোগ খণ্ডন কৰি কয় যে, উপ ৰাজ্যপালগৰাকীয়ে প্ৰদূষণৰ বিষয়ত কথা ক'ব নিবিচাৰে। আপৰ প্ৰেছ উপদেষ্টা অনুৰাগ ধান্দাই কয়, যে বৰ্তমানৰ চৰকাৰখনে প্ৰদূষণ নিয়ন্ত্ৰণত ব্যৰ্থ হৈছে।

০০০০০

অসমৰ পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি কালি অধিক অৱনতি ঘটে। আৰক্ষীৰ গুলীচালনাত কালি আহত এজন লোকৰ বিয়লি চিকিৎসালয়ত মৃত্যু ঘটে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাজ্যখনৰ প্ৰশাসনে পশ্চিম কাৰ্বি আংলং আৰু কাৰ্বি আংলং দুয়োখন জিলাতে মোবাইল ইণ্টাৰনেট সেৱা কালি আবেলিৰ পৰা অনিৰ্দিষ্ট কাললৈ বন্ধ কৰিছে।

০০০০০

পাকিস্তানে একেটা পৰিয়ালৰ চাৰিজন সদস্যক বলপূৰ্বকভাৱে নিৰুদ্দেশ কৰাৰ বিৰুদ্ধে কালি বেলুচিস্তানৰ কেচ্ছ্ জিলাত কেইবাটাও বেলুচ পৰিয়ালে প্ৰতিবাদ সাব্যস্ত কৰে। মানৱ অধিকাৰ সংস্থা বেল'চ ইয়াকজেহতি কমিটীৰ মতে, ভুক্তভোগী দুগৰাকী মহিলা আৰু দুজন পুৰুষক পাকিস্তানী সংস্থাই বলপূৰ্বকভাৱে নিৰুদ্দেশ কৰিছে। কেচ্চৰ- তেজবান গাঁৱৰ ৰাজপথত আপোনজনক নিৰাপদে ঘূৰাই অনাৰ দাবীত তেওঁলোকৰ পৰিয়ালে ৰাজপথলৈ ওলাই অহা বুলি সংস্থাটোৱে উল্লেখ কৰিছে। তেওঁলোকৰ শান্তিপূৰ্ণ প্ৰতিবাদক আওকাণ কৰা হৈছে আৰু নিৰুদ্দেশ হোৱা পৰিয়ালৰ সদস্যকেইজনক ক'ত ৰখা হৈছে সেই সম্পৰ্কে কোনো স্পষ্ট তথ্য দিয়া হোৱা নাই। চাৰিওজন নিৰাপদে উদ্ধাৰ নোহোৱালৈকে প্ৰতিবাদৰ অন্ত নপৰে বুলি পৰিয়ালকেইটাই দৃঢ় স্থিতি প্ৰকাশ কৰিছে। তেওঁলোকে তেজবান আৰু ওচৰৰ অঞ্চলৰ জনসাধাৰণক তেওঁলোকক সঙ্গ দিবলৈ আহ্বান জনাইছে।

ইপিনে, এই নিৰুদ্দিষ্ট হোৱাৰ ঘটনাক গৰিহণা দি বেল'চ ইয়াক জেহতি কমিটীয়ে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে সহমৰ্মিতা প্ৰকাশ কৰাৰ লগতে বেল'চ মহিলাসকলৰ ক্ৰমবৰ্ধমান নিৰুদ্দিষ্ট হোৱাৰ উদ্বেগজনক দিশটোত গুৰুত্ব আৰোপ কৰি ৫ দিনীয়া অভিযানো আৰম্ভ কৰিছে।

বেলুচিস্তানত ক্ৰমবৰ্ধমান অত্যাচাৰৰ ওপৰত আলোকপাত কৰি বেলুচ মহিলা মঞ্চই অভিমত ব্যক্ত কৰিছে যে, বিগত কেইমাহমানৰ পৰা পাকিস্তানে বেলুচ মহিলাৰ অপহৰণক স্বাভাৱিক ঘটনাৰ ৰূপ দিয়াৰ প্ৰয়াস অব্যহত ৰাখিছে, যিটো তেওঁলোকৰ আৱেগক আঘাত কৰাৰ ইচ্ছাকৃত প্ৰচেষ্টা । মঞ্চই জৰুৰী আৰু মানৱীয় ভিত্তিত বেল'চ মহিলাসকলৰ বিৰুদ্ধে চলা এই উৎপীড়নৰ বিষয়ত তাৎক্ষণিক আন্তঃৰাষ্ট্ৰীয় হস্তক্ষেপৰ আহ্বান জনাইছে।

০০০০০

বাংলাদেশৰ নোৱাখালীৰ হাতীয়া উপজিলাৰ চৰৰ ভূমিক কেন্দ্ৰ কৰি সংঘটিত হোৱা হিংসাত্মক ঘটনাত ৫ গৰাকী লোক গুলীবিদ্ধ হৈ মৃত্যুবৰণ কৰাৰ লগতে ১০ গৰাকী লোক আহত হৈছে। আৰক্ষীয়ে জনাইছে যে, মেঘনা নদীৰ পাৰত নতুনকৈ হোৱা জগলৰ চৰত দুই ফৈদৰ মাজত এই পৰিস্থিতিৰ উদ্ভৱ হয়। মৃতসকলৰ ভিতৰত দুয়োটা ফৈদৰে লোক আছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। প্ৰশাসনে ৫ গৰাকী লোকৰ মৃত্যু হোৱা বুলি সদৰীৰ কৰাৰ বিপৰীতে স্থানীয় লোকে এই সংখ্যা আৰু অধিক হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। মৃতদেহ উদ্ধাৰৰ বাবে অভিযান চলি আছে বুলি জানিব পৰা গৈছে।

ooooo

ভাৰতৰ মহিলা ক্ৰিকেট দলে পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাৰ দ্বিতীয়খন খেলত শ্ৰীলংকাক ৭ উইকেটত পৰাজিত কৰিছে। কালি বিশাখাপট্টনমত অনুষ্ঠিত খেলখনত শ্ৰীলংকাই বান্ধি দিয়া ১২৯ ৰানৰ লক্ষ্য ভাৰতে ১১ অভাৰ আৰু ৫টা বলতেই অতিক্ৰম কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ ছেফালি বাৰ্মাই ৩৪টা বলত ৬৯ ৰান কৰি অপৰাজিত হৈ ৰয়। ইয়াৰ পূৰ্বে ভাৰতৰ আমন্ত্ৰন মৰ্মে প্ৰথম বেটিং কৰিবলৈ নামি শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১২৮ ৰান সংগ্ৰহ কৰিছিল। হৰ্ষিতা ছামাৰাৱিক্ৰমাই সৰ্বাধিক ৩৩ ৰান কৰে। ২-০ অগ্ৰগতিৰ লাভ কৰা ভাৰতে অহা ২৬ ডিচেম্বৰত শৃংখলাৰ পৰৱৰ্তী খেলখনত অৱতীৰ্ণ হ'ব।

ooooo

**সমাপ্ত**